# শস্যৰ সময় সূচী

## ব'হাগ-জেঠ-আহাৰ










| শস্য | বীজ সিঁচাৰ সময় | প্ৰতি বিঘাত সাৰৰ পৰিমাণ | অনুমোদিত জাত আৰু কৃষিকাল (দিন) | কৃষি দিহা |
|---|---|---|---|---|
| শালি ধান | জেঠৰ মাজভাগৰ পৰা আহাৰৰ শেষ ভাগৰ ভিতৰত কঠীয়াতলীত বীজ সিঁচক। আহাৰৰ মাজভাগৰ পৰা শাওণ মাহৰ ভিতৰত মূল পথাৰত ৰোৱক। | পথাৰ প্ৰস্তুতিৰ সময়ত ১৩ কুইণ্টল পচন সাৰ প্ৰয়োগ কৰক। চাপৰ জাত ঃ ইউৰিয়া ১৮ কিলোগ্ৰাম, একক চুপাৰ ফছফেট ১৭ কিলোগ্ৰাম, এম. অ'. পি. ৯ কিলোগ্ৰাম। ওখ জাত ঃ ইউৰিয়া ৬ কিলোগ্ৰাম, একক চুপাৰ ফছফেট ৮ কিলোগ্ৰাম, এম.অ'.পি. ২ কিলোগ্ৰাম | মধ্যমীয়া চাপৰ জাত ঃ আই. আৰ-৩৬ (১১০-১২৫), জয়া (১২৫-১৩০), পংকজ (১৪৫-১৫০), লখিমী (১৪০-১৪৫), বাহাদুৰ (১৫০-১৫৫), পিয়লি (১৫০-১৫৫), কুশল (১৫০-১৫৫), মণিৰাম (১৫০-১৫৫), ৰঞ্জিত (১৫০-১৫৫), অভিষেক (১১৫-১২০), নবীন (১২০-১২৫)<br>বৰা ধান ঃ ৰঙালী (১৬০-১৬৫), ভোগালী (১৫৫-১৬০), আঘোণী (১৬০-১৬৫)<br>বহু তৰপীয়া কৃষিৰ বাবে উপযোগী জাত ঃ সত্য (১৩০-১৩৫), বসুন্ধৰা (১৩০-১৩৩)<br>জহা ঃ কেতেকী জহা (১৫৫-১৬৫)<br>ওখ জাত ঃ মনোহৰ শালি (১৫৫-১৬০), মাছুৰী (১৪০-১৪৫), স্বৰ্ণপ্ৰভা (১১৫-১২০)<br>বানপানীৰ পিছত পলমকৈ কৰিব পৰা জাত ঃ মনোহৰ শালি, বিৰাজ, শ'লপোনা, প্ৰসাদভোগ<br>চটিয়াই কৰিব পৰা শেহতীয়া শালি ঃ লুইত (৯০-৯৫), দিচাং (৯০-৯৫), কপিলী (৯০-৯৫)<br>দ অঞ্চলৰ বাবে ঃ প্ৰফুল্ল (১৫০-১৬০), গীতেশ (১৫০-১৬০)<br>হঠাৎ বানপানী হোৱা অঞ্চলৰ বাবে ঃ জলশ্ৰী (১৫০-১৫৫), জলকুঁৱৰী (১৫০-১৫৫)<br>ভিন ভিন পৰিস্থিতিৰ বাবে নতুন জাত ঃ শ্ৰাৱণী (১৩৫), মুলাগাভৰু (১৩৫), স্বৰ্ণচাব-১ (১৩৫), চক্ৰলাহী (১৩৮), ডিফলু (১৩৭), ধনশিৰি (১৩৯), মানাহ (১৩৮), বি. আৰ.-১১, চাব-১ (১৫০)<br>কম সাৰুৱা অঞ্চলৰ বাবে ঃ গান্ধাৰী (১২৫), মোহন (১২৬), শ্ৰীমন্ত (১৩৮), ভাৰতী (১৩৮) (আটাইকেইটা জাত ব্লাষ্ট বেমাৰ প্ৰতিৰোধী)<br>বৰ্ণশংকৰ জাত ঃ এন. কে ৫২৫২ (১৩০-১৩৫), ডি. আৰ. আৰ. এইচ-২ (১৩০-১৩৫), চি. আৰ. এইচ. আৰ-৫ (১৩০-১৩৫), পি.এ.চি.-৮৩৫/৮৩২ (১৩০-১৩৫), পি. এ-৬৪৪৪ গ'ল্ড (১৩০-১৩৫), চাহিদ্ৰী (১২৫-১৩৫), জে. কে. ৪০১ (১২৫-১৩০) | দ চানেকীয়া অঞ্চলৰ বাবে ৰঞ্জিত, বাহাদুৰ, পিয়লি, মণিৰাম, পংকজ, কুশল আদিৰ দৰে জাতৰ খেতি কৰক।<br>মধ্যম চানেকীয়া পথাৰৰ বাবে য'ত শালিখেতিৰ পাছত শাক-পাচলিৰ খেতি, সৰিয়হৰ খেতি কৰা হয়- তেনে অঞ্চলত সত্য, বসুন্ধৰা, স্বৰ্ণপ্ৰভা আদিৰ দৰে মধ্যমীয়া কৃষিকালৰ বীজ ব্যৱহাৰ কৰক। প্ৰয়োজন সাপেক্ষে শস্যৰক্ষাৰ ব্যৱস্থা লওক। |
| বাওধান | ফাগুন মাহৰ মাজভাগৰ পৰা ব'হাগ মাহৰ মাজভাগলৈ | নিমভিত্তিক ইউৰিয়া ৯ কিলোগ্ৰাম | মাগুৰী, পানীকেকোৱা, পদ্মপাণি (১৮৫), পানীন্দ্ৰ, পদ্মনাথ, নেঘেৰী, কেকোৱা, পঞ্চানন (১৮৬), পদুমণি (১৮০) | ভেঁকুৰনাশকেৰে বীজ শোধন কৰিব। আহু খেতি কৰা অঞ্চলত ৮ কিলোগ্ৰাম আহুৰ লগত ২ কিলো বাও ধানৰ বীজ সিচক। পদ্মপাণি জাতটো কমদিনীয়া আৰু উফ্ৰাবেমাৰ প্ৰতিৰোধী । |
| ৰহৰ মাহ | জেঠ মাহৰ মাজভাগৰ পৰা শাওণ মাহৰ মাজভাগলৈ | পচন সাৰ-৬ কুইণ্টল<br>ইউৰিয়া -৪ কিলোগ্ৰাম<br>একক চুপাৰ ফছফেট-৩৫ কিলোগ্ৰাম | টি-২১ (১৭০-২০০) | চিৰা বিন্ধা পোক নিয়ন্ত্ৰণৰ বাবে মালাথিয়ন ৫০ ই.চি. ১-১.৫ মিঃলিঃ প্ৰতি লিটাৰ পানীত মিহলাই প্ৰয়োগ কৰক। ৰহৰৰ শাৰীৰ মাজত মগুমাহ, মাটিমাহ বা তিল সিচক। |
| বাদাম (বৰ্ষাকালীন) | জেঠ মাহৰ মাজভাগৰ পৰা শাওণ মাহৰ মাজভাগলৈ | পচন সাৰ-১৩ কুইণ্টল, ইউৰিয়া-৬ কিলোগ্ৰাম, একক চুপাৰ ফছফেট ৩৩ কিলোগ্ৰাম, এম.অ.পি. ৭ কিলোগ্ৰাম | টি.জি-১ এ<br>জে. এল-২৪ | ফুল ফুলাৰ সময়ত নিৰাই দিয়াৰ লগতে মাটি চপাই দিয়ক। |
| নিয়মীয়া আহুধান (ক) সিচাঁ আহু | ফাগুনৰ মাজভাগৰ পৰা ব'হাগৰ মাজভাগলৈ | পচন সাৰ-১৫ কুইণ্টল, ইউৰিয়া ১২ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-১৭ কিলোগ্ৰাম, এম. অ'. পি-৪ কিলোগ্ৰাম | চাপৰ জাত ঃ গোবিন্দ (১০৫-১১০), আই আৰ-৫০ (১০৫-১১০), ধাঁচি (১১০-১১৫)<br>ওখ জাত ঃ বাংলামী (১১৫-১২০), ৰঙাদৰীয়া (১১৫-১২০), আহুজহা (১১০-১২০) | কঠীয়াতলীকে ধৰি মূল পথাৰ নিয়মীয়াকৈ পৰ্যবেক্ষণ কৰক। শস্যৰ ক্ষতিগ্ৰস্ততাৰ মাপ নিৰ্দ্ধাৰণ কৰি শস্যৰক্ষাৰ ব্যৱস্থা লওক। |
| (খ) বোৰা আহু | ফাগুনৰ মাজভাগৰ পৰা ব'হাগৰ মাজভাগলৈ কঠিয়াতলিত বীজ সিচক, চ'তৰ মাজভাগৰ পৰা জেঠৰ মাজভাগৰ ভিতৰত মূল পথাৰত ৰোৱক। | ইউৰিয়া-১২ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৭ কিলোগ্ৰাম, এম.অ'.পি.-৪ কিলোগ্ৰাম | গোবিন্দ (১১০-১১৫), আই. আৰ-৫০ (১১০-১১৫), আই. আৰ-৩৬, লাচিত (১২৫-১৩০), সোণামুখী (১০০-১১০), হাছা (১১৫-১২০) | অধিক উৎপাদনৰ বাবে শস্যডৰা পৰ্যবেক্ষণৰ লগতে পৰিচৰ্যা কৰক। |







'পূৱ ভাৰতত সেউজ বিপ্লৱৰ সূচনা (BGREI)' শীৰ্ষক আঁচনিৰ সৌজন্যত

# কৃষি বিভাগ, অসম

# শস্যৰ সময় সূচী

## শাওণ-ভাদ-আহিন



| শস্য | বীজ সিঁচাৰ সময় | প্ৰতি বিঘাত সাৰৰ পৰিমাণ | অনুমোদিত জাত আৰু কৃষিকাল (দিন) | কৃষি দিহা |
|---|---|---|---|---|
| বৰ্ষাকালীন মগুমাহ | ভাদ মাহ | পচনসাৰ ১.৩ কুইন্টল, ইউৰিয়া-৩ কিলোগ্ৰাম, একক চুপাৰ ফছফেট- ৩০ কিলোগ্ৰাম, এম. অ'. পি-৩.৫ কিলোগ্ৰাম (ৰাইয'বিয়াম কালচাৰেৰে শোধিত বীজৰ বাবে) | টি-৪৪ (৬০-৭০), কপাৰগাঁও (৬০-৭০), প্ৰতাপ (৬০-৭০) নতুন জাত ঃ এচ জি চি-১৬ (৬৫-৬৮)  | ৰাইয'বিয়াম কালচাৰেৰে বীজ শোধন কৰক। পি. এইচৰ মান ৬ ৰাখিবলৈ প্ৰয়োজন অনুসৰি চূণ প্ৰয়োগ কৰক। পাতত দাগপৰা বেমাৰ প্ৰতিৰোধ কৰিবলৈ কপাৰ অক্সিক্ল'ৰাইদ ০.৩% আৰু ব্লাইট বেমাৰ নিয়ন্ত্ৰণ কৰিবলৈ কাৰ্বেনডাজিম ০.৫% স্প্ৰে' কৰক। |
| বৰ্ষাকালীন মাটি মাহ | ভাদ মাহ | পচনসাৰ-১.৩ কুইন্টল, ইউৰিয়া -৩ কিলোগ্ৰাম, এককচুপাৰ ফছফেট -৩০ কিলোগ্ৰাম, এম.অ'.পি. - ৩.৫ কিলোগ্ৰাম | টি-৯ (৮০-৯০), টি-২৭ (৮০-৯০), ইউ.এচ.জে.ডি-১১৩ (৮০-৯০), পণ্ট. ইউ-১৯(৮০-৯৫), শাওণীয়া মাহ (৭০-৮০), সোণকোষ (৮০-৯০), মানস (৮০-৯০) | মগুমাহৰ দৰে একে ব্যৱস্থা গ্ৰহণ কৰক। |
| তিল | আহাৰৰ মাজভাগৰ পৰা শাওণৰ শেষলৈ | পচনসাৰ- ১৩ কুইন্টল, ইউৰিয়া- ৯ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-১৭ কিলোগ্ৰাম, এম. অ'. পি.-৫ কিলোগ্ৰাম | মাধৱী (৭০-৭৫), গৌৰী (৭৫-৮০), বিনায়ক (৭৫-৮০), পাঞ্জাৱ তিল-১ (৭৫-৮৫) পাৰ্বত্য অঞ্চলৰ বাবে- এ.এচ.টি-১ (৮০-৯০) | মাধৱী, বিনায়ক আদি হ্ৰস্বকালীন জাতৰ খেতিৰ পিছত সৰিয়হৰ খেতি কৰক। ব্লাইট আক্ৰান্ত অঞ্চলত আগতীয়াকৈ তিল খেতি কৰিব লাগে। |
| শীতকালীন মাকৈ | আহিন মাহ | পচন সাৰ-৬ কুইন্টল, ইউৰিয়া- ১৮-২৪ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৩৩ কিলোগ্ৰাম, এম.অ'.পি-৮ কিলোগ্ৰাম | বৰ্ণশংকৰ জাত ঃ গংগা-১০১ (১৪৫-১৫০), গংগা-৫ (১৫০-১৫৫), ডেক্কান হাইব্ৰীড (১৬০-১৬৫) কম্পজিট ঃ কিসাণ (১৫০-১৫৫), বিজয় (১৫৫-১৬০) হ্ৰস্বকালীন জাত ঃ ডায়াৰা (১১০-১২০), হুনিয়াচ (১১০-১১৫) | বৰ্ণশংকৰ জাতৰ বীজ পিছৰ কৃষিকাৰ্যৰ বাবে ৰাখিব নোৱাৰি যদিও কম্পজিট বীজ পিছৰ কৃষিকাৰ্যৰ বাবে ৰাখিব পাৰি। খেতিডৰাত কমেও তিনিবাৰ পানী যোগান ধৰিব লাগে। |
| শীতকালীন বাদাম | আহিন মাহ  | পচনসাৰ-১৩ কুইন্টল, ইউৰিয়া- ৬ কিলোগ্ৰাম, এককচুপাৰ ফছফেট- ৩৩ কিলোগ্ৰাম, এম. অ'.পি-৭ কিলোগ্ৰাম | জে. এল-২৪ (১২৫-১৩০) | প্ৰতিকিলো বীজ ৩ গ্ৰাম মেনক'জেব বা ৫ গ্ৰাম থিৰামেৰে শোধন কৰক। |
| ফুলকবি | আগতীয়া জাত ঃ শাওণ মাহৰ প্ৰথম সপ্তাহৰ পৰা তৃতীয় সপ্তাহলৈকে। মধ্যমীয়া জাত ঃ ভাদৰ তৃতীয় সপ্তাহৰ পৰা কাতিমাহৰ মাজভাগলৈ। শেহতীয়া জাত ঃ কাতি মাহৰ তৃতীয় সপ্তাহলৈ। | পচনসাৰ-১.৩ কুইন্টল, ইউৰিয়া -২৪ কিলোগ্ৰাম, এককচুপাৰ ফছফেট - ৫০ কিলোগ্ৰাম, এম.অ'.পি - ১১ কিলোগ্ৰাম, বৰাক্স-১ কিলোগ্ৰাম বা ৬০০ গ্ৰাম বৰিক এছিদ পাউদাৰ | আগতীয়া সঁচ ঃ আৰ্লি কুঁৱৰী, পুছা-কেটকী, পুছা-দিপালী মধ্যমীয়া সঁচ ঃ ইমপ্ৰুভদ, জাপানীজ, পুছা স্ন'বল, পুছা-ছিনথেটিক, মেইন্ ক্ৰপ পাটনা শেহতীয়া জাত ঃ স্ন'বল-১৬, পুছা স্ন'বল, কে-১, হিছাৰ-১ | বিছাজাতীয় পোক আৰু পাতখোৱা পোক নিয়ন্ত্ৰণৰ বাবে প্ৰতিলিটাৰ পানীত মালাথিয়ন ৫০ ইচি ১.৫ মিলিলিটাৰ মিহলাই প্ৰয়োগ কৰক। |
| বন্ধাকবি | ভাদমাহৰ তৃতীয় সপ্তাহৰ পৰা আঘোণ মাহৰ মাজভাগলৈ | পচনসাৰ-১.৩ কুইন্টল, ইউৰিয়া-৩৬ কিলো, এককচুপাৰ ফছফেট-৫০ কিলোগ্ৰাম, এম. অ'.পি-১৩ কিলোগ্ৰাম | গল্ডেন একৰ (৬০-৭০), প্ৰাইড অৱ ইণ্ডিয়া (৬০-৭০), পুছা মুক্তা (৬৫), ড্ৰাম হেড (৮০-১০০) | পুলি ৰোৱাৰ ২০ দিন আৰু ৪০ দিন পাছত দুবাৰ নিৰাওক। পুলি ৰোৱাৰ পিছত পাতলীয়াকৈ পানী দিয়ক। |
| ব্ৰ'কলি | ফুলকবিৰ দৰে | পচনসাৰ- ২৭ কুইন্টল, ইউৰিয়া ৩০-৬০ কিলোগ্ৰাম, এককচুপাৰ ফছফেট ৫০-৬৭ কিলোগ্ৰাম, এম. অ'.পি-৯-১৩ কিলোগ্ৰাম | আগতীয়া ঃ আৰ্লী ডেনিচ-জায়াণ্ট, ডি-কিক্ৰ (৪৫-৫৫), গ্ৰীণবাড মধ্যমীয়া ঃ গ্ৰীণ স্প্ৰাউটিং মিডিয়াম (১০০ দিন) শেহতীয়া ঃ ৰাল্টহাম, গ্ৰীণ মাউণ্টেইন বৰ্ণশংকৰ ঃ চাউডাৰ্ণ কমেট, ক্লিপাৰ, লেচাৰ | ১৩-১৫ দিনৰ অন্তৰে অন্তৰে পানী যোগান ধৰক। বায়ু চলাচলৰ বাবে গুৰি খুচৰি দিয়াৰ লগতে অপতৃণ নিয়ন্ত্ৰণৰ ব্যৱস্থা লওক। |
| বিলাহী | আহিনৰ মাজভাগৰ পৰা আঘোণ মাহৰ মাজভাগলৈ | পচনসাৰ- ২৭ কুইন্টল, ইউৰিয়া- ২২ কিলোগ্ৰাম, এককচুপাৰ ফছফেট- ৪২ কিলোগ্ৰাম, এম. অ'.পি-১১ কিলোগ্ৰাম | পাঞ্জাৱ চুহাৰা (১২০), পুছা আৰ্লি ডোৱাৰ্ফ (৫৫-৬০), অৰ্কা আভা (১৩৫), অৰকা আলোক (১২৫), এছ-১২, বিটি-১ | ৬ কিলোগ্ৰাম ইউৰিয়া বিঘাই প্ৰতি ফ'লিয়াৰ স্প্ৰে' কৰিলে অধিক উৎপাদন পাব পাৰি। |
| বেঙেনা (শীতকালীন) | ভাদ মাহৰ মাজভাগৰ পৰা কাতি মাহৰ মাজভাগলৈ | পচনসাৰ- ১৩ কুইন্টল, ইউৰিয়া- ১৫ কিলোগ্ৰাম, এককচুপাৰ ফছফেট-৪১ কিলোগ্ৰাম, এম. অ'.পি-১১ কিলোগ্ৰাম | পুছা পাৰ্পল ক্লাষ্টাৰ, পুছা পাৰ্পল লং, বৰ বেঙেনা, কুচিয়া, পুছা পাৰ্পল ৰাউণ্ড | ফল আৰু ডাল বিন্ধা কৰা পোক নিয়ন্ত্ৰণৰ বাবে কাৰ্ব'ফুৰান ২.৫ গ্ৰাম প্ৰতিটো পুলি ৰোপণৰ ২০ দিনৰ পিছত প্ৰয়োগ কৰক। |







'পূৱ ভাৰতত সেউজ বিপ্লৱৰ সূচনা (BGREI)' শীৰ্ষক আঁচনিৰ সৌজন্যত

## কৃষি বিভাগ, অসম

# শস্যৰ সময় সূচী

## কাতি-আঘোন-পুহ



| শস্য | বীজ সিঁচাৰ সময় | প্ৰতি বিঘাত সাৰৰ পৰিমাণ | অনুমোদিত জাত আৰু কৃষিকাল (দিন) | কৃষি দিহা |
|---|---|---|---|---|
| সৰিয়হ | কাতিমাহ (বৰাক উপত্যকাৰ বাবে আঘোনৰ মাজভাগলৈ) | পচনসাৰ-৪ কুইন্টল **বৰষুণ নিৰ্ভৰশীল খেতিৰ বাবে ঃ** ইউৰিয়া-১৯ কিলোগ্ৰাম, এককচুপাৰ ফছফেট-৪৫ কিলোগ্ৰাম, এম. অ'.পি-১১ কিলোগ্ৰাম **জলসিঞ্চিত খেতিৰ বাবে ঃ** ইউৰিয়া-১৮ কিলোগ্ৰাম, এককচুপাৰ ফছফেট-৩৩ কিলোগ্ৰাম এম. অ'.পি-৯ কিলোগ্ৰাম, চূণ প্ৰতি বিঘাত ৬৫.৫ কিলোগ্ৰাম প্ৰয়োগ কৰক | টি এচ-৩৬ (৯০-৯৫), টি-এচ-৩৮ (৯০-৯৫), এম-২৭ (৯০-৯৫), টি. এম-২ (১০৫-১১৫), টি.এম.-৪ (১০৫-১১৫), জেউতি (৮৯), টি. এচ-৪৬ (৯৪), টি এচ-৬৭(৯০), পুছা মাহেক (৯৮-১০২), আৰ. জি. এন.-২৩৬ (১১৭-১৩৬),এন.আৰ.চি.এইচ.বি.-১০১ (১০৫-১৩৫) | কাতি মাহৰ ভিতৰত বীজ সিঁচিলে ছ-ফ্লাই আৰু মোৱা পোকৰ আক্ৰমণ হ্ৰাস পায়। |
| আলু | কাতিমাহ | পচনসাৰ-১৩ কুইন্টল **বৰষুণ নিৰ্ভৰশীল খেতিৰ বাবে ঃ** ইউৰিয়া-১৯ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৪৫ কিলোগ্ৰাম, এম. অ'.পি-১২ কিলোগ্ৰাম **জলসিঞ্চিত খেতিৰ বাবে ঃ** ইউৰিয়া-১৯ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৯০ কিলোগ্ৰাম, এম. অ'.পি.-২৪ কিলোগ্ৰাম | কুফ্ৰী চন্দ্ৰমুখী (৮০-১০০), কুফ্ৰী জ্যোতি (১১০-১২০), কুফ্ৰী সিন্ধুৰী (১১০-১২০), কুফ্ৰী মেঘা (১০০-১২০) | ৰোৱাৰ আগেয়ে ২ গ্ৰাম ইণ্ডোফিল এম-৪৫ প্ৰতি লিটাৰ পানীত মিহলাই প্ৰস্তুত কৰা মিশ্ৰণত আলুবোৰ ১০ মিনিট ডুবাই ৰাখি শোধন কৰক। লেট ব্লাইট প্ৰতিৰোধৰ বাবে মেনক'জেব ২.৫ গ্ৰাম প্ৰতিলিটাৰ পানীত মিহলাই কমেও ১২ দিনৰ অন্তৰত স্প্ৰে' কৰক। মালচিঙৰ ব্যৱস্থা কৰক। |
| মচুৰ মাহ | কাতিমাহ | পচন সাৰ -৬ কুইন্টল, ইউৰিয়া-৪.৫ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৩০ কিলোগ্ৰাম, চূণ-৬৫.৫ কিলোগ্ৰাম | বি-৭৭ (১১০-১২০), এল-৯-১২ (১২০-১৩০), পি এল-৪০৬ (১২০-১২৫), পিএল-৮১-৪ (১২০-১২৫) এইচ ইউ এল-৫৭ (১১২-১১৫), অসম মচুৰ-১ (১১৫-১২০), অসম মচুৰ-২ (১১৫-১২০) | শালিধান কটাৰ সময়ত মাটিত জীপ থাকিলে মচুৰ মাহৰ বীজ সিঁচক। ডাল ধৰা আৰু গুটি ধৰাৰ সময়ত ২ শতাংশ ইউৰিয়া স্প্ৰে' কৰক। উইল্ট বেমাৰ প্ৰতিৰোধৰ বাবে বীজ শোধন কৰক। প্ৰতি কিলো বীজ শোধনৰ বাবে কাৰ্বেনডাজিম ২ গ্ৰাম আৱশ্যক। |
| মটৰ মাহ | আহিন মাহৰ শেষৰ সপ্তাহৰ পৰা কাতি মাহৰ প্ৰথম সপ্তাহলৈকে | পচনসাৰ-৬ কুইন্টল, ইউৰিয়া-৬ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৩৮ কিলোগ্ৰাম | টি-১৬৩ (১১০-১২০), বোনেভিল্লে (১০০-১২০), এইচ. ইউ. পি (১১৫-১২৫), কে. এফ. পি. ডি.-১ (১০০-১০৫), ৰাস্না (১২০-১২৫), পন্ট-১৪ | শালিধান কটাৰ ১৫-২০ দিন আগতে মাটিত জীপ থাকিলে ২৫ৰ পৰা ৫০ শতাংশ বীজ অতিৰিক্ত পৰিমাণে সিচক। |
| বৰোধান | কাতি মাহৰ মাজভাগৰ পৰা পুহ মাহৰ মাজভাগলৈ | ইউৰিয়া-১৮ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-২৭ কিলোগ্ৰাম, এম. অ'. পি- ৬ কিলোগ্ৰাম | মাছুৰি (১৮০-১৯০), আই. আৰ-৫০ (১৫৫-১৬০), কাবেৰী (১৫০-১৫৫), জয়মতী (১৭৫), বিষ্ণুপ্ৰসাদ (১৬৫), জ্যোতিপ্ৰসাদ (১৬৫), দীননাথ (১৬০-১৬৫), স্বৰ্ণাভ (১৬০-১৬৫), কনকলতা (১৬৫-১৭৫), সহভাগী ধান (১২৫-১৩০) * ব্লাষ্ট আক্ৰান্ত অঞ্চলৰ বাবে আই. আৰ-৫০ অনুমোদিত নহয় | কঠীয়া ৰোৱাৰ ২১-২৫ দিনৰ পিছত ইউৰিয়া সাৰ টপড্ৰেচ কৰক। পথাৰত ৫-৭ ছেঃমিঃ পানী ৰখাৰ ব্যৱস্থা কৰক। শস্যৰক্ষাৰ ব্যৱস্থা লওক। |
| হাইব্ৰিড ধান | কাতি মাহৰ শেষৰ সপ্তাহৰ পৰা আঘোন মাহৰ দ্বিতীয় সপ্তাহলৈ | ইউৰিয়া ২৯ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৫০ কিলোগ্ৰাম, এম. অ'. পি-১৩ কিলোগ্ৰাম | এৰাইজ - ৬৪৪৪ (১৭০-১৭৫), ৰাজলক্ষ্মী-১ (১৬৫-১৭০) পি. এ. চি-৮৩৭(১৩০), পি. এ. চি- ৮৩৫(১৩০), এন পি এইচ-২৪, আৰ এইচ আৰ ১১১, এন কে - ৫২৫১ আদি | নিশ্চিত পানী যোগান থকা পথাৰ বাছনি কৰক। অনুমোদিত হাৰত সাৰ প্ৰয়োগ কৰাৰ লগতে শস্যৰক্ষাৰ ব্যৱস্থা লওক। |
| ঘেঁহু | (১) ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ মণ্ডলৰ জিলাসমূহৰ বাবে ঃ কাতিমাহৰ ২০ তাৰিখৰ পৰা আঘোন মাহৰ ৫ তাৰিখলৈ (২) ব্ৰহ্মপুত্ৰ উপত্যকাৰ মধ্যমণ্ডল আৰু নামনি অসমৰ জিলাসমূহৰ বাবে ঃ কাতিমাহৰ ২০ তাৰিখৰ পৰা আঘোণ মাহৰ ১৫ তাৰিখলৈ | **বৰষুণৰ ওপৰত নিৰ্ভৰশীল খেতিৰ বাবে ঃ** ইউৰিয়া-১২ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-১৭ কিলোগ্ৰাম, এম. অ'. পি- ৪ কিলোগ্ৰাম **জলসিঞ্চিত খেতিৰ বাবে ঃ** ইউৰিয়া-৬০-৮০ কিলোগ্ৰাম এককচুপাৰ ফছফেট-৩৪-৪২ কিলোগ্ৰাম অনুমোদিত সাৰৰ পৰিমাণৰ ক্ষেত্ৰত অঞ্চলভেদে কিছু ভিন্নতা আছে। পচনসাৰ প্ৰয়োগ কৰক। | সোণালিকা (১০২-১২০), ইউ. পি-২৬২ (১০৬-১২৫), এইচ ডি. আৰ-৭৭ (১১০-১১৫), ডি. বি. ডব্লিউ-১৪ (১০৫-১১০), এইচ. ইউ. ডব্লিউ-৪৬৮ (১০৫-১১০) | জলসিঞ্চিত পদ্ধতিৰে কৰা ঘেঁহুখেতিত উৎপাদন অধিক হয়। বীজ সিঁচাৰ ২০-২৫ দিনৰ ভিতৰত এবাৰ জলসিঞ্চনৰ ব্যৱস্থা কৰা উচিত। দ্বিতীয়টো জলসিঞ্চন ৭০-৭৫ দিনৰ পিছত কৰিব লাগে। পথাৰখন শুকান হৈ থাকিলে বীজ সিঁচাৰ ৩-৪ দিন আগেয়ে পাতলীয়াকৈ এবাৰ পানী দিয়ক। |








‘পূৰ ভাৰতত সেউজ বিপ্লৱৰ সূচনা (BGREI)’ শীৰ্ষক আঁচনিৰ সৌজন্যত

# কৃষি বিভাগ, অসম

# শস্যৰ সময় সূচী

## মাঘ-ফাগুন-চ'ত

| শস্য | বীজ সিঁচাৰ সময় | প্ৰতি বিঘাত সাৰৰ পৰিমাণ | অনুমোদিত জাত আৰু কৃষিকাল (দিন) | কৃষি দিহা |
|---|---|---|---|---|
| মৰাপাট (ক)তিতা মৰাপাট (কেপচুলাৰিজ) | ফাগুনৰ প্ৰথম সপ্তাহৰ পৰা ব'হাগৰ দ্বিতীয় সপ্তাহলৈ | ইউৰিয়া-১২ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-২০ কিলো, এম. অ'. পি-৭ কিলোগ্ৰাম | জে. আৰ. চি-২১২ (সবুজসোনা) জে. আৰ. চি-৩২১ (সোণালী), ইউ. পি. চি- ৯৪ (ৰেস্মা), জে. আৰ. চি.-৭৪৪৭ (শ্যামলী), অপেশ্বৰী | উঁই পোক আক্ৰান্ত অঞ্চলত প্ৰতিবিঘাত ৪ কিলোগ্ৰাম মালাথিয়ন ৫ শতাংশ ডাষ্ট প্ৰয়োগ কৰক। মাটিৰ উৰ্বৰতা অক্ষুণ্ণ ৰাখিবলৈ মৰাপাট-ধান-সৰিয়হ বা মৰাপাট-ধান-ঘেঁহুৰ শস্যক্ৰম নিৰ্বাচন কৰক। |
| (খ)মিঠা মৰাপাট (অলিট'ৰিয়াচ) | চ'ত মাহৰ প্ৰথম সপ্তাহৰ পৰা জেঠৰ শেষ সপ্তাহলৈ | ইউৰিয়া-৯ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-২০ কিলোগ্ৰাম, এম.অ'.পি-৬ কিলোগ্ৰাম। প্ৰতি তিনিবছৰৰ অন্তৰে অন্তৰে ৪ কুইন্টল চূণ প্ৰয়োগ কৰক। | জে. আৰ ও-৫১৪ (নবীন), জে. আৰ. ও-৭৮৩৫ (বাসুদেৱ), জে. আৰ ও-৬৩২ (বৈশাখটিচ্ছা), চিলেকশ্বন-২ (ব'হাগী), তৰুণ | গছবোৰত চিৰা ধৰিবলৈ আৰম্ভ কৰাৰ লগে লগে চপাওক। উৎকৃষ্ট মানযুক্ত আঁহ নিস্কাষণৰ বাবে ভেঁকুৰ কালচাৰ ব্যৱহাৰ কৰক। |
| আগতীয়া আহু ধান (ক) সিঁচা আহু | মাঘ মাহৰ শেষৰ পৰা ফাগুন মাহৰ প্ৰথম ভাগ | পচন সাৰ-১৫ কুইন্টল<br>চাপৰ জাতৰ বাবে ঃ ইউৰিয়া-১২ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-১৮ কিলোগ্ৰাম, এম. অ'. পি.-৪ কিলোগ্ৰাম<br>ওখ জাতৰ বাবে ঃ ইউৰিয়া-৬ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৯ কিলোগ্ৰাম, এম. অ'. পি - ২ কিলোগ্ৰাম | চাপৰ জাত ঃ আই আৰ- ৫০ (১১০-১২০), বালা (১১০-১২০), সুভদ্ৰা (১১৫-১২৫), কাবেৰী (১১৫-১২০), আই. আৰ-৩৬ (১২০-১৩০), ৰাঁচি (১২৫-১৩০)<br>ওখ জাত ঃ চি এইচ-৬৩ (১২০-১৩০), বাংলামি (১১৫-১২০), হাচাকুমৰা (৮০-৮৫) | প্ৰতি বিঘাৰ বাবে ১০ কিলোগ্ৰাম বীজৰ আৱশ্যক। |
| (খ) ৰোৱা আহু | মাঘ মাহৰ শেষভাগৰ পৰা কঠীয়াতলিত বীজ সিঁচক ৰোৱা সময় ঃ চ'তৰ প্ৰথম ভাগ | পচন সাৰ ১৩ কুইন্টল<br>চাপৰ জাত ঃ ইউৰিয়া-১২ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-১৮ কিলোগ্ৰাম, এম. অ'.পি.-৪ কিলোগ্ৰাম<br>ওখ জাত ঃ ইউৰিয়া ৬ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৯ কিলোগ্ৰাম, এম. অ'. পি.-২ কিলোগ্ৰাম | ৰাচি (১৩০-১৩৫), কপিলী (১০০-১০৫), চকেট-৪ (১২৫-১৩০), আই আৰ -৫০ (১১৫-১২৫), গোবিন্দ (১১৫-১২৫), সুভদ্ৰা (১২০-১৩০), আই. আৰ-৩৬ (১২৫-১৩৫), ৰত্না (১২৫-১৩০), কৃষ্ণা (১৩০-১৩৫), লুইত (১০০-১০৫), পাঞ্জাশালি (১১৫-১২৫), হাচাকুমৰা (৮০-৮৫), লাউজুলি (১১৫-১২০) | নিশ্চিত জলসিঞ্চনৰ ব্যৱস্থা থকা স্থান নিৰ্বাচন কৰক। প্ৰতি তিনিদিনৰ অন্তৰত পানী যোগান ধৰক। মজাখোৰা, গলমিজ, সোহনী পোক নিয়ন্ত্ৰণৰ বাবে কঠীয়াৰ গুৰি অংশ ১ শতাংশ ইউৰিয়া আৰু ০.২ শতাংশ ক্ল'ৰ'পাইৰফছ মিশ্ৰণত ৩ ঘণ্টা ডুবাই শোধন কৰক। |
| গ্ৰীষ্মকালীন বাদাম | মাঘ মাহৰ পৰা ফাগুনৰ দ্বিতীয় সপ্তাহলৈ | পচন সাৰ-১৩ কুইন্টল ইউৰিয়া-৬ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৩৩ কিলো, এম. অ'. পি.-৭ কিলোগ্ৰাম | জে. এল. -২৪ (১১৫-১২০) | পানী বন্ধ নহ'বলৈ লোৰৰ ব্যৱস্থা কৰক। |
| বৰ্ষাকালীন মাকৈ | মাঘ মাহৰ মাজভাগৰ পৰা জেঠ মাহৰ মাজ ভাগলৈ | পচন সাৰ-৬ কুইন্টল, ইউৰিয়া-১৮ কিলোগ্ৰাম, একক চুপাৰ ফছফেট-৩৩ কিলোগ্ৰাম, এম. অ'. পি.-৯ কিলোগ্ৰাম | বৰ্ণশংকৰ ঃ গংগা-৫ (১১০-১২০), হাই ষ্টাৰ্চ (১৩০-১৪০), বিবেক মেইজ হাইব্ৰিড-৪৭ (৮০-৯০) বিবেক মেইজ হাইব্ৰিড-৫৩ (৭০-৮০), বাইঅ' - ৯৫৪৪ (৯০-১১০)<br>কম্পোজিট ঃ এন. এল. ডি (১০০-১২০), ধাৰাল (১১০-১২০), নাভিয়ট (৯০-১০০), ডায়াৰা (৮৫-৯০) | অতিৰিক্ত বৰষুণৰ পানীভাগ লোৰ খান্দি উলিয়াই দিয়ক।<br>মজা খোৰা পোকৰ আক্ৰমণ নিয়ন্ত্ৰণৰ বাবে ফেনিট্ৰ'থিয়ন ৫০ ই চি. ব্যৱহাৰ কৰক। |


















'পূৱ ভাৰতত সেউজ বিপ্লৱৰ সূচনা (BGREI)' শীৰ্ষক আঁচনিৰ সৌজন্যত

# কৃষি বিভাগ, অসম